# বিষয় ঃ লাচিত বৰফুকন ।

ৰুবিশ্মা পাটোৱাৰী
কনিষ্ঠ অভিযন্তা ।
জনস্বাস্থ্য কাৰিকৰী বিভাগ ।
বাগচা সংমণ্ডল, মুছলপুৰ ।

# ।। লাচিত বৰফুকন ।।

"লাচিত ফুকন ! লাচিত ফুকন ! মোৰ স্বদেশৰ বীৰ
দেশৰ কাৰণে আহানি এদিন যাচিলা নিজৰ শিৰ
দেশৰ কাৰণে মুক্তি হকে, অন্যায় বোধি বীৰ "

**আৰম্ভণি :-**

অসমৰ বুৰঞ্জীৰ পাত লুটিয়াই চালেই দেখা পোৱা অপৰাজেয় ব্যক্তিত্ব, সাহস আৰু সংগ্ৰামৰ এক প্ৰতীক তথা সত্ত্বা হ'ল লাচিত বৰফুকন। নিজ শৌৰ্য-বীৰ্য আৰু পৰাক্ৰমেৰে অসম তথা ভাৰতৰ বুকুত নিজৰ নাম সোণালী আখৰেৰে খোদিত কৰি যাবলৈ সক্ষম হোৱা বীৰ পুৰুষজনেই আছিল লাচিত বৰফুকন। অসমীয়াৰ আবেগ আৰু বিবেক আগুৰি থকা যাৰ দৃঢ়, নিঃস্বাৰ্থ আৰু দুৰদৰ্শী নেতৃত্বই সোঁৱৰায় থাকে অসমীয়া জাতিৰ প্ৰবল পৰাক্ৰমৰ কথা তেওঁৱেই আজি ৰচনাৰ বিষয় লাচিত বৰফুকন ডাঙৰীয়া।

প্ৰাচীন অসমৰ বীৰসকলৰ ভিতৰত আটাইতকৈ পৰাক্ৰমী বীৰজনেই নিশ্চিতভাৱে লাচিত বৰফুকন। যি সময়ত অসমখন বঙালৰ হাতলৈ যোৱাৰ উপক্ৰম হৈছিল সেই সময়তে অসমখনক শিৰ পাতি গ্ৰহণ কৰিছিল। অসমীয়াই চিৰদিন, চিৰকাল গৌৰৱ কৰি ক'ব পৰা ব্যক্তিজনেই হৈছে লাচিত বৰফুকন। অসম যেতিয়ালৈকে জীয়াই থাকিব, অসমীয়াৰ হৃদয়ৰ কোঁহে কোঁহে সজীৱ হৈ থাকিব লাচিত বৰফুকন।

অসমৰ ইতিহাসত ১৬৪৮ খ্ৰীষ্টাব্দৰ পৰা ১৬৮১ খ্ৰীষ্টাব্দলৈকে চলি থকা দুৰ্যোগ পূৰ্ণ সময়খিনিত এনে পৰিবৰ্তন আনিবলৈ সক্ষম হৈছিল ক্ষণজন্মা বীৰ লাচিত বৰফুকন। লাচিত বৰফুকনে অসমীয়া সেনা, অসমীয়া জনগণৰ নেতৃত্ব নোলোৱা হ'লে অসমৰ স্বাধীনতা সূৰ্য কেতিয়াবাই মাৰ গ'লহেতেন সেয়ে লাচিত আজিও আমাৰ মনলৈ আহে এক অপৰাজেয় ব্যক্তিত্ব সাহস আৰু সংগ্ৰামৰ প্ৰতীক।

হে মহান বীৰ চিৰদিনে পূজিম তোমাক
যিমানদিনলৈ চন্দ্ৰ, সূৰ্য থাকিব
অসম অসমীয়াৰ বুকুত
তুমি কৰিবা ৰাজত্ব
হৃদয়ৰ কোঁহে কোঁহে সজীৱ হৈ থাকিবা
হে যুদ্ধা,
তোমাক শতকোটি প্ৰণাম ।

<u>জন্ম</u> :-

বীৰ লাচিত বৰফুকনৰ জন্ম হৈছিল ১৬22 খ্ৰীষ্টাব্দৰ 24 নৱেম্বৰ তাৰিখে। তেওঁৰ পিতৃ আছিল আহোম ৰাজ্যৰ প্ৰথমজন বৰবৰুৱা তথা পাইক প্ৰথাৰ প্ৰৱৰ্তক মোমাই তামুলী বৰবৰুৱা। লাচিত বৰফুকন আছিল মোমাই তামুলী বৰবৰুৱাৰ সপ্তম তথা চতুৰ্থজন জীৱিত সন্তান। লাচিত বৰফুকন আছিল লুখুৰাখন ফৈদৰ লান-ক্ষিমা বংশৰ লোক।

## প্ৰাৰম্ভিক শিক্ষা :-

শিশু অৱস্থাৰ পৰাই সততা, কৰ্তব্যনিষ্ঠা, নিয়মানুৱৰ্তিতা স্পষ্টবাদিতা আদি গুণৰ অধিকাৰী লাচিত বৰফুকনে নিজৰ বাসগৃহতে আৰম্ভ কৰিছিল প্ৰাৰম্ভিক শিক্ষা। পিতৃ মোমাই তামুলী বৰবৰুৱাৰ ঘৰৰ চৰাঘৰেই আছিল লাচিত বৰফুকনৰ বাবে এখন বিদ্যালয়ৰ দৰে। উল্লেখযোগ্য যে লাচিত বৰফুকনক উপযুক্ত শিক্ষাৰে দিক্ষিত কৰি তুলিবলৈ তেওঁৰ পিতৃয়ে ঘৰুৱা শিক্ষক নিয়োগ কৰি হিন্দু ধৰ্মনীতি, অৰ্থশাস্ত্ৰ আদিৰ বিষয়ে শিক্ষা প্ৰদান কৰিছিল। ইয়াৰ উপৰিও তেওঁ পিতৃ মোমাই তামুলী বৰবৰুৱা আহোম ৰাজ্যৰ বৰবৰুৱা পদত অধিষ্ঠিত থকাৰ বাবেই সেই সময়ত আলোচিত হোৱা বিভিন্ন আলোচনা সমূহৰ পৰা লাচিত বৰফুকনে ৰাজনৈতিক, কূটনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিষয় সন্দৰ্ভত জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

## কৰ্মজীৱন আৰু বৰফুকন পদবী লাভ :-

লাচিতৰ পাছতেই উচ্চাৰণ কৰা বৰফুকন পদবীটো লাচিতে একেদিনাই সেই পদত অধিষ্ঠিত হ'ব পৰা নাছিল। বহু কষ্ট তথা অধ্যৱসায়ৰ বলত তেওঁ আহোম ৰাজ্যৰ বৰফুকন তথা প্ৰধান সেনাপতি পদ অধিকাৰ কৰিছিল।

লাচিতে প্ৰথমে সেই সময়ৰ ৰাজমন্ত্ৰী অতনবীয়াৰ হাঁচতি ধৰা তামুলী পদত নিযুক্তি লাভ কৰিছিল। এই পদটো ব্যক্তিগত সহায়কৰ পৰ্য্যায়ত বুলি ধৰা যায়। ৰাজমন্ত্ৰীৰ লগতে তেওঁ ৰজাৰ পাত্ৰ-মন্ত্ৰীৰ বৈঠকত উপস্থিত থাকিব পাৰিছিল। এইদৰেই আছিল ৰাজ্যৰ ৰাজনীতিত লাচিতৰ প্ৰথম প্ৰৱেশ। তাৰপিছত লাচিতে দোপতদোপে উন্নতি কৰিলা বগাই আহিবাই বৰফুকন অথবা আহোমৰ স্বৰ্গদেউৰ প্ৰধান সেনাপতি হৈছিলগৈ।

ইয়াৰ পৰৱৰ্তী সময়ত লাচিত বৰফুকন নিযুক্তি পাইছিল ঘোঁৰাবৰুৱাৰ পদত। ঘোঁৰাবৰুৱাৰ পদত কাৰ্য্যনিৰ্বাহ কৰি থাকোঁতে লাচিত বৰফুকনে ঘোঁৰাসমূহ সঠিকভাৱে তত্ত্বাৱধান কৰাই নহয় বহু কেইটা দুৰ্দান্ত ঘোঁৰা বশ কৰি নিজৰ প্ৰতিভা আৰু সাহসিকতাৰ পৰিচয় দাঙি ধৰিছিল।

ঘোঁৰাবৰুৱাৰ পদত সুকলমে দায়িত্ব সম্পন্ন কৰাৰ বাবে পৰৱৰ্তী সময়ত আহোম ৰজাই লাচিত বৰফুকনক দুলীয়া বৰুৱা পদবীত নিযুক্তি দিছিল। ইয়াৰ পৰৱৰ্তী সময়ত লাচিত বৰফুকনে নিযুক্তি লাভ কৰিছিল শিমলুগুৰিয়া খেলৰ প্ৰধান হিচাপে শিমলুগুৰিয়া ফুকন পদবীত।

শিমলুগুৰিয়া ফুকন হিচাপে দায়িত্ব সম্পন্ন কৰা লাচিত বৰফুকনে পৰৱৰ্তী সময়ত নিযুক্তি লাভ কৰিছিল দোলাকাষৰীয়া বৰুৱা হিচাপে। দোলা কাষৰীয়া বৰুৱা হিচাপে নিযুক্তি লাভ কৰা লাচিত বৰফুকনৰ কাম আছিল ৰজা দোলাত যাওঁতে ৰজাৰ পালি- পহৰীয়া (চাওদাং) সকলক নিয়ন্ত্ৰণ কৰা।

লাচিত বৰফুকন দোলাকাষৰীয়া বৰুৱা পদত অধিষ্ঠিত হৈ থাকোঁতে স্বৰ্গদেউ চক্ৰধ্বজ সিংহই লাচিত বৰফুকনৰ দক্ষতাৰ উমান পাইছিল। যাৰ বাবে চক্ৰধ্বজ সিংহই লাচিত বৰফুকনৰ নিৰ্ভীকতা, সাহসীকতা আৰু আত্মমৰ্যদাবোধৰ প্ৰমাণ চাই মৰ্যদা অনুসৰি আনুষ্ঠানিকভাৱে আহোম ৰাজ্যৰ প্ৰধান সেনাপতি আৰু বৰফুকন পদত নিযুক্তি কৰিলে। তেওঁক কেৱল বৰফুকন পতাই নহয় বুঢ়াগোহাঁই, বৰগোহাঁই আদি কৰি সকলো শ্ৰেণীৰ বিষয়াৰ ওপৰত সেনাপতি পাতি সোণোৱালী হেংদাং উপহাৰ দি যুদ্ধ কৰিবলৈ আজ্ঞা দিলে।

বীৰগাঁথা :-

বৰফুকন পদত অধিষ্ঠিত হৈয়েই লাচিতে দেশৰ সৈন্য সংগঠনৰ ওপৰত গুৰুত্ব দিছিল। ১৬৬৫ খ্ৰীষ্টাব্দৰ পৰা ১৬৭১ খ্ৰীষ্টাব্দলৈকে এই ছয়বছৰীয়া কাৰ্যাৱলীয়ে লাচিতৰ ব্যক্তিত্ব আৰু নেতৃত্বৰ প্ৰকৃত ছবিখন প্ৰতিফলিত কৰে। কাৰণ এই সময়খিনিতে ৰাজপুত ৰাম- সিংহৰ দ্বাৰে

এজন চতুৰ প্ৰবল পৰাক্ৰমী সেনাপতিয়ে যুদ্ধত হাৰ-মানি উলটি যাবলৈ বাধ্য হৈছিল।

আলাবৈ ৰণত লাচিত বৰফুকনৰ ভূমিকা :-

১৬৬৯ খ্ৰীষ্টাব্দৰ ফেব্ৰুৱাৰী মাহত অসম আক্ৰমণ কৰিবলৈ ৰামসিংহৰ নেতৃত্বত মোগল সৈন্যবাহিনী অসমলৈ আগমন ঘটে। গুৰুত্বপূৰ্ণ কথা এই যে মোগল সকলৰ লগত ৰণত পাৰিবলৈ সেই সময়ত আহোম সেনাৰ সম্পূৰ্ণৰূপে প্ৰস্তুত হোৱা নাছিল যদিও লাচিত বৰফুকনে বুদ্ধিৰে আসন্ন বিপদৰ সন্মুখীন হ'বলৈ প্ৰস্তুত হৈছিল। ১৬৬৯ খ্ৰীষ্টাব্দত সংঘটিত হৈছিল আহোম আৰু মোগল সকলৰ মাজত আলাবৈ ৰণ। উল্লেখযোগ্য যে এই যুদ্ধত একেদিনাই আহোমৰ দহ হাজাৰ সৈন্যই প্ৰাণ আহুতি দিছিল। এই জটিল সময়তো লাচিত বৰফুকন থেগৰি পৰা নাছিল। যুদ্ধৰ সময়ত লাচিতে লোৱা তৎপৰতা আৰু ৰণকৌশল অতি সময়োপযোগী আছিল। দেশপ্ৰেমৰ কাৰণে কোনো কামেই কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। তেওঁৰ সকলো ক্ষমতা দেশৰ হিতৰ বাবে প্ৰয়োগ কৰিছিল। লাচিতে ৰামসিংহৰ লগত প্ৰকৃত যুদ্ধত জয়লাভ কৰাৰ আগতেই মনস্তাত্ত্বিক যুদ্ধত জয়লাভ কৰিছিল। তেওঁ সৈন্য বাহিনীক আৱশ্যকীয় পৰাই জিকাৰ আশা উদ্দীপনা দেখুৱাইছিল। যাৰ বাবে সৈন্যৰ মনোবল বৃদ্ধি পাইছিল। আনহাতে, ৰামসিংহকো পাকে প্ৰকাৰে তেওঁ লোকৰ যে

পৰাজয় নিশ্চিত সেই কথা পাতিয়ন দিবলৈ চেষ্টা কৰিছিল। উল্লেখ্য যদিও সে এবাৰ ৰামসিংহই সৈন্যৰ বল বুজাবলৈ লাচিতলৈ এটোপোলা আঙুষ্ঠি পঠালে তাৰ প্ৰত্যুত্তৰ লাচিতে এচুঙা বালি আৰু এখন পত্ৰ পঠালে, কিয়নো আঙুষ্ঠি পত্ৰত পিহিলে পানী হৈ যাব কিন্তু বালি পিহিব নোৱাৰি আৰু গণিবও নোৱাৰি। আহোম সৈন্যবাহিনী ৰামসিংহৰ সৈন্যৰ দৰে যুদ্ধত নমৰে আৰু গণিব নোৱাৰি।

"হে মোগল আঙুষ্ঠি পটাত পিহি পানী
কৰাৰ দৰে তঁহতৰ তেজেৰে নদী বোৱাম
অসম ভূমিত। আই অসমীৰ বীৰ পুত্ৰ
বালিৰ দৰে নহয়, নগণে। ধনু- কাড়
তৰোৱালৰে যাক বলিব নোৱাৰিবি মোগল সেনাই।"

মোগলৰ সৈতে যুদ্ধ :—

মোগল সৈন্যক বাধা দিবৰ কাৰণে ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰে পৰ্বত সংযোগ কৰি গড় নিৰ্মাণ কৰাৰ কথা ভাবি একৰাতিৰ ভিতৰতে গড় নিৰ্মাণ কৰি উলিয়াবৰ বাবে লাচিতে মোমায়েকক এই কামৰ দায়িত্ব দিছিল। কিন্তু শেষ ৰাতিলৈকে গড়বন্ধা কাম সম্পূৰ্ণ নোহোৱাৰ বাবে দেশতকৈ মোমাই ডাঙৰ নহয় বুলি কৈ মোমায়েকৰ শিৰচ্ছেদ কৰিছিল। লাচিতৰ ৰং দেখি মানুহবোৰে আৰো জীউকৈ

কাম কৰি ৰাতি নৌপুৱাতেই গড়ৰ বাকী অংশ বান্ধি শেষ কৰিলে। নিজ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ তেওঁ কৰ্তব্যত অৱহেলা কৰা মোমায়েককো হত্যা কৰিবলৈ এই মহান বীৰে কুণ্ঠাবোধ কৰা নাছিল। তাৰে স্মৃতি চিহ্ন মোমাই কটা গড়ৰ ৰূপত পাছোৱা ৰহুহে যেন আজিও বিড়ম্বাই কৈ যায়। কোনো কোনো ইতিহাসবিদৰ মতে আজিও গুৱাহাটীৰ পশ্চিম প্ৰান্তত এই গড় জিলিকি আছে। এবাৰ লাচিত বৰফুকন টান নৰিয়াত পৰিছিল আৰু তেনেকুৱা এটা সুযোগৰে অপেক্ষাত আছিল শত্ৰুপক্ষ আৰু যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিছিল। অসমীয়া সৈন্যই পিছ হুঁহকিবলৈ ধৰিছিল আৰু কোনো কোনোৱে সৈন্য পৰিচালনা কৰিবলৈ মানুহ নথকাৰ অজুহাতত যুদ্ধ ভূমি এৰি যাবলৈ মন কৰিছিল। ঘোৰাং চোৱা মুখে গমপাই লাচিতে নৰিয়াপাটী এৰি যুদ্ধৰ নেতৃত্ব দিবলৈ ওলাই আহিল। তৎক্ষণাত যুদ্ধ নাৱত উঠি টান-নৰিয়া গাৰেই সাহসেৰে যুদ্ধ কৰিবলৈ আগবাঢ়িল। ইয়াকে দেখি অসমীয়া সৈন্যসকলে দুগুণ সাহসেৰে দেশৰ বাবে যুদ্ধ কৰি শত্ৰুৰ নাৱবহৰলৈ ভেদি গ'ল। সেই সময়ত গুৱাহাটীৰ ইটাখুলিতেই মোগলৰ সবাতোতকৈ শক্তিশালী শিবিৰ আছিল। শিবিৰৰ চাৰিওফালে ডাঙৰ ডাঙৰ কমান পুতি ৰখা হৈছিল। যাৰ ফলত লাচিতৰ সৈন্যই ইটাখুলি দখল কৰাটো কঠিন হৈ পৰিছিল। এনে পৰিস্থিতিত যদি ইটাখুলি অতি কম সময়ৰ ভিতৰত দখল কৰিব নোৱাৰে তেন্তে মোগল সৈন্য আহি যুদ্ধৰ সকলো পৰিকল্পনা ধূলিস্যাৎ হ'ব।

যেনে লাচিতে চোৰাং চোৰা হতুৱাই মাজনিশা বৰটোপৰ নলাত পানী ভৰাই সেইবোৰ অকামিলা কৰি পেলাইছিল। এনেদৰেই ছল-কৌশলেৰে ইটাখুলিৰ পৰা মোগলক খেদি নি মানাহ নৈৰ সিপাৰত থলেগৈ। অসমীয়া সেনাই লাচিত বৰফুকনৰ নেতৃত্বত গুৱাহাটীকে ধৰি মামনি অসম পুনৰ উদ্ধাৰ কৰে আৰু অসম ৰাজ্যই পুনৰ স্বাধীনতা লাভ কৰে। এইখনেই আছিল প্ৰসিদ্ধ শৰাইঘাটৰ যুদ্ধ। যত আক্ৰমণকাৰী মোগল সেনাই সম্পূৰ্ণভাৱে পৰাজয় বৰণ কৰে।

লাচিত বৰফুকনৰ নেতৃত্ব বহন কৰা এই শৰাইঘাট যুদ্ধ হ'ল অসমৰ ইতিহাসৰ সোণালী আখৰেৰে জিলিকা যুগান্তকাৰী ঘটনা। মহা পৰাক্ৰমী মোগল শক্তিক পৰাভূত কৰা লাচিত বৰফুকন নেতৃত্বই অসমবাসীৰ শৌৰ্য-বীৰ্য তথা সন্মান বিশেষভাৱে বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিলে। নবীয়া শৰীৰে অথচ বুদ্ধিমত্তাৰ উদাহৰণ দাঙি ধৰি লাচিত বৰফুকনে যিদৰে মোগল সৈন্যৰ লগত সন্মুখ সমৰত লিপ্ত হ'ল সেইয়া অতি প্ৰশংসনীয়। গুৰুত্বপূৰ্ণ কথা সে ৰণনীতিগত ক্ষেত্ৰত ব্যাপক ইন্ধন যোগাই লাচিত বৰফুকনে প্ৰথমবাৰৰ বাবে গেৰিলা যুদ্ধ পদ্ধতিৰ প্ৰৱৰ্তন কৰিছিল।

মৃত্যু:-

শৰাইঘাটৰ যুদ্ধৰ পিছতেই লাচিত বৰফুকনৰ মৃত্যু হৈছিল। যুদ্ধৰ সময়ত তেওঁৰ তীব্ৰ জ্বৰ উঠি আছিল। আৰু সেই জ্বৰীয়া দেহেৰে যুদ্ধ কৰিছিল। ১৬৭২ খ্ৰীষ্টাব্দত মৃত্যুক সাৱটি লোৱা

বীৰজনক মোৰহাটৰ হোলোঙাপাৰত মৈদাম দিয়া হয়। পিছলৈ উদয়াদিত্য সিংহই লাচিত মৈদাম নির্মাণ কৰে।

সামৰণি :-

লাচিত বৰফুকন মৃত্যু হ'ল কিন্তু থাকি গ'ল তেওঁৰ বীৰ গাঁথা। তেওঁ যি বীৰত্ব আৰু সাহসেৰে নিজ সৈন্য বাহিনীৰ মাজত বিজুলী সঞ্চাৰ কৰি মনোবল ঘূৰাই আনিছিল তাৰ বাবেই শৰাইঘাটৰ যুদ্ধত অসমীয়া সৈন্য বিজয়ী হৈছিল। লাচিত বৰফুকনৰ বীৰত্বৰ নিদৰ্শনে চিৰকাল অসমীয়াক অনুপ্ৰাণিত কৰি ৰাখিব। লাচিত বৰফুকনে যি বুদ্ধিদীপ্ততাৰে সকলো সমস্যাৰ সমাধান কৰিছিল সেইয়া আছিল সচাঁকৈয়ে প্ৰশংসনীয়। তেওঁৱেই প্ৰথম গেৰিলা যুদ্ধ পদ্ধতিৰ সূচনা কৰিছিল আৰু ই ৰণনীতিগত ক্ষেত্ৰত এক ব্যাপক ইন্ধন যোগাইছিল। এই মহান বীৰজনাৰ প্ৰতি সন্মান জনাই অসম চৰকাৰে ২৪ নৱেম্বৰ তাৰিখটো লাচিত দিৱস হিচাপে ঘোষণা কৰে আৰু প্ৰতিবছৰে ইয়াক পালন কৰা হয়। লাচিত বৰফুকন হ'ল অসম তথা অসমীয়াৰ বাবে এটা চিৰসেউজ সত্ত্বা। অসমীয়া জাতি জীয়াই থকালৈকে লাচিত বৰফুকনৰ জাতীয়তাবোধ, দেশপ্ৰেম সদায় অসমীয়াৰ তেজত প্ৰবাহিত হৈ ৰ'ব। এফেৰা বাতিকে পঢ়ি নিবিয়া পাৰে ৰেংচাং লৈ মোগলক খেদি পঠিয়াবলৈ সমৰ্থ হোৱা লাচিত বৰফুকন সত্ত্বাটোৱে আজিও প্ৰতিজন অসমীয়াৰ প্ৰাণত শিহৰণ জগাই তোলে। গুৰুত্বপূৰ্ণ কথা যে সমগ্ৰ ভাৰতে

মোগলৰ আধিপত্য চলি থকাৰ সময়তে লাচিত বৰফুকনৰ সবল নেতৃত্বই বিশাল আৰু শক্তিশালী মোগল সৈন্যবাহিনীক পৰাভূত কৰিবলৈ সক্ষম হৈছিল। লাচিত বৰফুকনৰ দৃঢ়, নিঃস্বাৰ্থ, দূৰদৰ্শী ব্যক্তিৰ নেতৃত্বই অসমীয়া সমাজত সূচনা কৰিছিল যুগান্তকাৰী পৰিৱৰ্তন। অসমীয়া সমাজত উত্তৰ প্ৰজন্মৰ বাবে লাচিত বৰফুকন হৈ ৰ'ব সদায় অপৰাজেয় ব্যক্তিত্ব, সাহস আৰু সংগ্ৰামৰ প্ৰতীক।

অন্যান্য বঁটা :-

লাচিত বৰফুকন সোণৰ পদক — ২০১৯ চনৰ পৰা প্ৰতিবছৰে লাচিত বৰফুকন সোণৰ পদক প্ৰদান কৰা হয়।

মহাবীৰ লাচিত বঁটা :- অসমৰ উল্লেখযোগ্য ব্যক্তি-সকলক এই বঁটা প্ৰদান কৰা হয়।

"হে মহান বীৰ, হে যুঁজাৰু যুগে যুগে তুমি অমৰ।
তোমাৰ বীৰত্ব, ধৈৰ্য্য সাহস, একাগ্ৰতা দেশপ্ৰেমক
শতকোটি প্ৰণাম।"

সমাপ্তি